**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত নতুন দিল্লীত প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে **বড়োলেণ্ড মহোৎসৱ**।

২। দশম আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ ওপৰত শৈক্ষিক বোজা হ্ৰাস কৰাৰ বাবে ১৫ শতাংশ পাঠ্যক্ৰম হ্ৰাস কৰাৰ সিদ্ধান্ত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ।

৩। ৰাস পূৰ্ণিমা উপলক্ষে ৰাজ্যজুৰি ৰাস মহোৎসৱ উদযাপন।

৪। সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী পালন।

**আৰু**

৫। জোহান্সবাৰ্গত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল।

000000

নতুন দিল্লীৰ কে ডি যাদৱ ৰেছলিং ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে আজিৰে পৰা দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ধিয়া চাৰে ৬ বজাত বড়োলেণ্ড মহোৎসৱৰ প্ৰথম সংস্কৰণ উদ্বোধন কৰিব। নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তান সাহিত্য সভা আৰু বড়ো সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা বিটিআৰ প্ৰশাসনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি অঞ্চলটোৰ প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুষ্ঠিত হ'ব। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত হ'বলগীয়া এই মহোৎসৱত প্ৰধানমন্ত্ৰীৰ লগতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্য, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। কাইলৈ বড়ো সাহিত্য সভাৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হ'ব। এই উপলক্ষে ৰাজঘাটৰ পৰা ইণ্ডিয়া গে'টলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। সেইদিনা বিয়লি হ'বলগীয়া শিক্ষা সম্পৰ্কীয় আলোচনাচক্ৰত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে কেইবাগৰাকীও ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। বিয়লি ৫ বজাত সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ অধ্যক্ষতাত সংস্কৃতি আৰু পৰ্যটন বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, প্ৰমুখ্যে বহুলোকে অংশগ্ৰহণ কৰিব।

000000

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে দশম আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ ওপৰত শৈক্ষিক বোজা হ্ৰাস কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। চি বি এছ ই-য়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাৰ পাঠ্যক্ৰমৰ পৰা ১৫ শতাংশ পাঠ্যক্ৰম হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছে। ব'ৰ্ডৰ পৰীক্ষাৰ মূল্যায়নৰ ক্ষেত্ৰতো আমূল পৰিৱৰ্তন সাধন কৰা হৈছে। সেই অনুসৰি এতিয়াৰে পৰা ব'ৰ্ড পৰীক্ষাত ৪০ শতাংশ নম্বৰ আভ্যন্তৰীণ মূল্যায়নৰ জৰিয়তে প্ৰদান কৰাৰ লগতে বাকী ৬০ শতাংশ চূড়ান্ত ব'ৰ্ড পৰীক্ষাৰ পৰা

মূল্যায়ন কৰি বাৰ্ষিক ফলাফল ঘোষণা কৰা হ'ব। চি বি এছ ই'ৰ এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাক লৈ থকা মানসিক বোজা বহুখিনি হ্ৰাস কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰি চি বি এছ ই-য়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম আৰু পৰীক্ষাৰ ক্ষেত্ৰত কেইবাটাও পৰিৱৰ্তন সাধন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চি বি এছ ই-য়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ লগত সংগতি ৰাখি ব্যৱহাৰিক জ্ঞান আৰু দক্ষতা আধাৰিত শিক্ষাক অগ্ৰাধিকাৰ দি পৰীক্ষাৰ পদ্ধতিৰ সংশোধন কৰিছে। ২০২৫ বৰ্ষৰ পৰা এই নতুন ব্যৱস্থা কাৰ্যকৰী হ'ব। নতুন প্ৰস্তাৱ অনুসৰি প্ৰশ্নকাকতৰ ৫০ শতাংশ প্ৰশ্ন ব্যৱহাৰিক আৰু প্ৰায়োগিক পৰিস্থিতিৰ ভিত্তিত প্ৰস্তুত কৰা হ'ব। ২০২৫ৰ পৰা ডিজিটেল মূল্যায়নৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

oooooo

আজি ৰাস পূৰ্ণিমা। শৰৎকালৰ এই মনোৰম পূৰ্ণিমাত পালন কৰা ৰাস মহোৎসৱক কেন্দ্ৰ কৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে।া

মাজুলীৰ সত্ৰসমূহত কালিৰে পৰা ৰাস মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হৈছে। কালি জিলাখনৰ নতুন বজাৰ, জেংৰাইমুখ, মুদৈবিল, ভকতীদুৱাৰ আদি অঞ্চলত শ্ৰীশ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা অনুষ্ঠিত হয়। আজি দক্ষিণপাট, আউনিআটী, গড়মূৰ, উত্তৰ কমলা, বেঙেনাআটী, চামগুৰি, এলেংগি নৰসিংহ আদি সত্ৰসমূহকে ধৰি স্থায়ী আৰু অস্থায়ী  সকলো ৰংগমঞ্চতে ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এইবাৰ মাজুলীত ৬৫খনকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। মাজুলীৰ ৰাস মহোৎসৱৰ বিষয়ে বিতংকৈ জনাইছে আমাৰ সংবাদদাতা বিকাশ শইকীয়াই-

**ভইচ কাষ্ট**

মৰিগাঁও জিলাৰ দুৰামাৰী, ভৈৰাগুৰি, আঁহতগুৰি, ঔজাৰিকে ধৰি ভালেমান অঞ্চলত আজিৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজিৰে পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। চহৰখনৰ ছন্দৰীয়াৰ সাৰ্বজনীন ৰাসমেলা খেলপথাৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ৰাস উৎসৱৰ আয়োজন কৰা হৈছে। আনহাতে, দুধনৈ ৰাজহুৱা খেলপথাৰত ১৫ দিনীয়া আৰু মাক্ৰীত ছদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হৈছে। জিলাখনৰ ছিমলীতোলা, মাটিয়া, বালিজানা, দুবাপাৰা আদি অঞ্চলতো দুদিনীয়া কাৰ্যসূচীৰে ৰাসৰ আয়োজন কৰা হৈছে।

বৰপেটা জিলাৰ হাউলী, বৰপেটা ৰোড আদিত আজিৰে পৰা উদযাপন কৰা হৈছে। হাউলী ৰাস মহোৎসৱ এইবাৰ ৯৭ সংখ্যক বৰ্ষ আৰু বৰপেটা ৰোড ৰাস মহোৎসৱ ৯৬ সংখ্যক বৰ্ষৰ বাবে উদযাপন কৰা হৈছে। আনহাতে, জিলাখনৰ নগাঁও ৰাস মহোৎসৱ এইবাৰ ৮৯ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে।

বাক্সা জিলাৰ পূব খাগ্ৰাবাৰীত আজিৰ পৰা দহদিনীয়াকৈ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

ইফালে, নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ উদ্যোগত আজিৰে পৰা ১৩ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। আমাৰ সৈতে আছে নলবাৰীৰ সংবাদদাতা ৰমেন কলিতা -

**ভইচ কাষ্ট**

নগাঁও জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি কেলিগোপাল নাটৰ আধাৰত নগাঁও জিলাত ৰাস মহোৎসৱ অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত ৪ৰ পৰা ৫দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হ'ব। চহৰখনৰ খুটিকটীয়া প্ৰগতি সমাজে ছদিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰিছে। ভাগৱত শোভাযাত্ৰাৰে শুভাৰম্ভ কৰিবলগীয়া এই ৰাস মহোৎসৱে এইবাৰ সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰিছে। মহোৎসৱৰ দিনকেইটাত শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ লগতে অংকীয়া ভাওনাও প্ৰদৰ্শন কৰা হ'ব।

ইফালে, ঐতিহ্যমণ্ডিত পুৰণিগুদাম আঞ্চলিক ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত আজিৰে পৰা চাৰিদিনীয়াকৈ মহাৰজত জয়ন্তী বৰ্ষ ৰাস উৎসৱ উদযাপন কৰা হৈছে। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি ধৰ্ম ধ্বজা উত্তোলন, নাম প্ৰসংগ আৰু ৰাস ভাওনা প্ৰদৰ্শন কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হ'ব। চহৰখনৰ পানীগাঁও জ্যোতিনগৰ নামঘৰত কাইলৈ

দিনজোৰা কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। আনহাতে, উত্তৰ কলিয়াবৰ হেজাৰ সমিতিৰ উদ্যোগত কাইলৈ পূৱথৰিয়াত ল'ৰাৰ ৰাস প্ৰদৰ্শন কৰা হ'ব। জিলাখনৰ চকলাঘাট, হাতীচোং, ৰহা, চাপৰমুখ, ফুলগুৰি, বেবেজীয়া, পুৰণিগুদাম, কঠিয়াতুলি, নগাঁৱে, চামগুৰি, ৰূপহী আদি স্থানত প্ৰায় দুই শতাধিক ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব।

দৰং জিলাৰ সদৰ মঙলদৈৰ সনাতন ধৰ্মসভাৰ প্ৰাঙ্গনতো আজিৰে পৰা ১০ দিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত ৰাজহ মন্ত্ৰী যোগেন মহন আৰু সাংসদ দিলীপ শইকীয়া উপস্থিত থাকিব। উল্লেখযোগ্য যে এইবাৰ মৃন্ময় মূৰ্তিৰ লগতে প্ৰথম বাৰৰ বাবে স্থানীয় শিল্পীৰ দ্বাৰা জীৱন্ত ৰাস প্ৰদৰ্শন কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

ধুবুৰী জিলাৰ বিলাসীপাৰাতো আজিৰে পৰা ১৬দিনীয়া কাৰ্যসূচীৰ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০

ভাৰতৰ স্বাধীনতা সংগ্ৰামী বীৰছা মুণ্ডাৰ আজি জয়ন্তী। বীৰছা মুণ্ডাৰ জয়ন্তীৰ লগত সংগতি ৰাখি ভাৰতৰ স্বাধীনতা সংগ্ৰামত অগ্ৰগনী ভূমিকা লোৱা জনজাতীয় মুক্তি যুজাৰুসকলৰ স্মৃতিত আজিৰ দিনটো **জনজাতীয় গৌৰৱ দিৱস** হিচাপে পালন কৰা হয়। ৰাজ্য চৰকাৰে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শিল্পগ্ৰামত **জনজাতীয় গৌৰৱ দিৱস**ৰ আয়োজন কৰিছে। অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত আয়োজিত অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে এই কাৰ্যসূচী উদ্বোধন কৰিব।

আনহাতে এই দিৱস ২৯ খন ৰাজ্যৰ ১০০ জিলাত সমান্তৰালভাৱে অনুষ্ঠিত হ'ব। এই উপলক্ষে কামৰূপ মহানগৰৰ হাহৰা গাঁও পঞ্চায়ত **জনজাতীয় গৌৰৱ দিৱস** আয়োজন কৰা হৈছে। এই অনুষ্ঠানটো দিনৰ ১১ বজাত জিলা আয়ুক্ত সুশীল বিমলৰ তত্বাৱধানত অনুষ্ঠিত হ'ব।

গোৱালপাৰা জিলাতো এই দিৱসৰ লগতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত সচিবালয় প্ৰাংগণত শ্বহীদ তৰ্পণ, মাল্যাৰ্পণ আদি কাৰ্যসূচীৰে জিলাখনত **জনজাতীয় গৌৰৱ দিৱস** পালন কৰা হয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ জামুইত আয়োজিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত ভাগ ল'ব আৰু এই অনুষ্ঠানেৰে ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্ম বাৰ্ষিকী উদযাপন পৰ্ব আৰম্ভ হ'ব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা স্মাৰক মুদ্ৰা আৰু ডাট টিকট মুকলি কৰিব। শ্ৰীমোদীয়ে লগতে দেশৰ গ্ৰামাঞ্চল আৰু দুৰ্গম এলেকাসমূহত বাস কৰা জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে ছহেজাৰ ৬৪০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। আকাশবাণী দিল্লীয়ে দিনৰ চাৰে ১১ বজাৰ পৰা এফ এম গ'ল্ড, ইন্দ্ৰপ্ৰস্থ, আকাশবাণী লাইভ নিউজ 24x7 চেনেল যোগে এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকসকলৰ কল্যাণ আৰু উন্নয়নৰ যাত্ৰা দ্ৰুত গতিৰে আগবঢ়াই লৈ যোৱাৰ লগতে এই লোকসকল দীৰ্ঘদিন ধৰি বঞ্চিত হৈ থকা বুনিয়াদী সা-সুবিধাসমূহকে ধৰি সকলো সুবিধা প্ৰদান কৰাৰ বাবে ব্যৱস্থা কৰিছে।

০০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে গুৰু নানক জয়ন্তী বা গুৰুপৰব পালন কৰা হৈছে। শিখ ধৰ্মৰ ভেঁটি স্থাপন কৰা প্ৰথম শিখ গুৰু গুৰু নানক দেৱজীৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। এই বছৰ গুৰু নানক দেৱৰ ৫৫৫ সংখ্যক জয়ন্তী পালন কৰা হৈছে। এই দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা শিখ ধৰ্মাৱলম্বী লোকসকলে বিশেষ প্ৰাৰ্থনা জনায়।

গুৰু নানক জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তা যোগে দেশ-বিদেশত বাস কৰা সকলো ভাৰতীয় বিশেষকৈ শিখ সম্প্ৰদায়ৰ লোকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

গুৰু নানকদেৱৰ ৫৫৫ সংখ্যক পৱিত্ৰ প্ৰকাশ পৰ্ব উপলক্ষে ধুবুৰীৰ গুৰুদ্বাৰত আজি পুৱাৰে পৰা অখণ্ড পাঠ, কীৰ্তন দৰবাৰ, গুৰুলংগৰ আদি বৰ্ণাঢ্য কাৰ্যসূচী পালন কৰা হৈছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি দিনজোৰা কাৰ্যসূচীৰে আজি আশাজী দৰবাৰ অনুষ্ঠিত হ'ব।

০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দি **আছাম ট্ৰিবিউন** কাকতে AFSPA reimposed in 6 Police station areas of Manipur শিৰোনামেৰে মণিপুৰৰ ছটা আৰক্ষী থানা এলেকাত সশসস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন পুনৰ বলবৎ  কৰাৰ সন্দৰ্ভত এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেখন কাকতে এন আৰ চিক লৈ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে কোনো স্থিতি স্পষ্ট নকৰাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

অশান্ত মণিপুৰত পুনৰ সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন বলবৎ সন্দৰ্ভত এটা বাতৰি **দ্য ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ডিব্ৰুগড় টাউন ৰেল ষ্টেচন স্থানান্তৰক লৈ উত্তৰ-পূব সীমান্ত ৰেলৰ শীৰ্ষ বিষয়াৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বৈঠক সন্দৰ্ভত এটা বাতৰি **দৈনিক অসম** কাকতে ডিব্ৰুগড় টাউন ৰেল ষ্টেচন স্থানান্তৰৰ প্ৰস্তাৱ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেখন কাকতে ৰাজ্যত নিবনুৱা সমস্যাই ভয়াবহ ৰূপ লোৱা সন্দৰ্ভত এটা বাতৰি ৰাজ্যত নিবনুৱা সমস্যাৰ বিস্ফোৰক ৰূপ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সংৰক্ষিত বনাঞ্চলত হেজাৰ হেজাৰ অবৈধ পুখুৰী খান্দি মাছ-কাছৰ চোৰাং বেহা, অসমৰ বনাঞ্চলৰ মূল্যবান গছ কাটি চোৰাং কাঠৰ ব্যৱসায় চলোৱা, চোৰাং চিকাৰীয়ে বন্যপ্ৰাণী নিধন কৰা ইত্যাদি ঘটনা সন্দৰ্ভত এটা বাতৰি বনাঞ্চলত আঢ়ৈ হেজাৰ পুখুৰী খান্দি মাছ-কাছৰ চোৰাং দেহা শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেখন কাকতে চাহ বাগিছাৰ শ্ৰমিকৰ বকেয়া আনাদায়ক লৈ উচ্চতম ন্যায়ালয় কঠোৰ হোৱা সন্দৰ্ভত এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেটা বাতৰিকে **আমাৰ অসম** কাকতে নিলাম হ'ব অসম চাহ নিগমৰ সম্পত্তি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ বিতৰ্ক অব্যাহত মাজতে সভাপতি পদৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে ড০ ভীমকান্ত বৰুৱাড়, অনুৰাধা শৰ্মা পূজাৰী, ড০ গোবিন্দ প্ৰসাদ শৰ্মাই -এই বাতৰিটো নিয়মীয়া  বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাসোৎসৱক লৈ ভক্তিৰসত উদুলি-মুদুলি ৰাজ্যৰ উজনিৰ পৰা নামনি, ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উদযাপন ৰাস মহোৎসৱ। ৰাস সন্দৰ্ভত এটা বাতৰি **অসমীয়া খবৰ** কাকতে শৰৎ কালৰ ৰাত্ৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ৰাসক্ৰীড়া শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰতিবাদ। ঠায়ে ঠায়ে কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জৱেল ওৰামৰ পুত্তলিকা দাহেৰে প্ৰতিবাদ অব্যাহত থকাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে জনজাতিকৰণ আটছা, আটাছু, আক্ৰাছু উত্তাল প্ৰতিবাদ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক এতিয়া পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০

চিৰাং জিলাৰ বিজনী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে পঞ্চম আন্তঃজিলা যোগাসন প্ৰতিযোগিতা আৰম্ভ হ'ব। যোগাসন ক্ৰীড়া সন্থা অসমৰ উদ্যোগত আৰু চিৰাং জিলা যোগাসন ক্ৰীড়া সন্থাৰ সহযোগত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে।

০০০০০০

তিজনপ্ৰিয় আলোচনী বিস্ময়ৰ চৰিত্ৰ চেণ্টু দা ওৰফে চেণ্টু আইচৰ কালি তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত দেহাৱসান ঘটে। বিশিষ্ট ঔপন্যাসিক বৈদুৰ্য্য বৰুৱাৰ উপন্যাসত জিপাল হৈ পৰা চৰিত্ৰ চেণ্টু দাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। উল্লেযোগ্য যে ৰহস্যৰ চৰিত্ৰ চেণ্টু দা ৰাইজৰ মাজত যথেষ্ট জনপ্ৰিয় হৈ পৰিছিল।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাৰ ২-১ ফলাফলত আগবাঢ়ি আছে। ভাৰতে কিংছমিডত অনুষ্ঠিত প্ৰথমখন খেলত  ৬১ ৰাণত জয়লাভ কৰিছিল। ডাৰবানত অনুষ্ঠিত দ্বিতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক ৩ উইকেটত পৰাজিত কৰিছিল। চেঞ্চুৰিয়ানত অনুষ্ঠিত তৃতীয়খন খেলত ভাৰত ১১ ৰানত জয়ী হৈছিল।

০০০০০০

সমাপ্ত